জুমু‘আৰ দিনা ইমামে খুতবা দিয়াৰ সময়ত, যদি তুমি তোমাৰ সঙ্গীক চুপ থাকিবলৈও কোৱা তেন্তে তুমিও অনৰ্থক কাম কৰিলা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ জুমু‘আৰ দিনা ইমামে খুতবা দিয়াৰ সময়ত, যদি তুমি তোমাৰ সঙ্গীক চুপ থাকিবলৈও কোৱা তেন্তে তুমিও অনৰ্থক কাম কৰিলা। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে খুতবাত উপস্থিত হোৱা লোকসকলে অৱলম্বন কৰিবলগীয়া নিয়ম-নীতি উল্লেখ কৰিছে। ইমামে খুতবা দিয়াৰ সময়ত কথা ক'ব নালাগে, যাতে ইমামে দিয়া উপদেশ ভালকৈ বুজিব পাৰে। সেয়ে ইমামে খুতবা দিয়াৰ সময়ত যদি কোনোবাই কাৰোবাক কয় যে, "কথা নক'বা, খুতবা শুনা", এইখিনি কথা ক'লেও সি জুমুআৰ নামাজৰ ফজিলতৰ পৰা বঞ্চিত হ'ব।

http://www.sunnah.global/hadeeth/as/show/3107